# 2018

## ASSAMESE

## ( Major )

Paper : 3.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) ভাৰতবৰ্ষত থকা যি কোনো এটা আৰ্য-ভিন্ন ভাষাগোষ্ঠীৰ নাম লিখা।

(খ) অসমীয়া ভাষাটো কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত?

(গ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ প্ৰধান ভাগ কেইটা?

(ঘ) আৰ্য নামটো পোনপ্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(ঙ) কেন্তুম্ বৰ্গৰ যি কোনো এটা ভাষাৰ নাম লিখা।

(চ) পালি শব্দৰ যি কোনো এটা অৰ্থ লিখা।

(ছ) নব্য-ভাৰতীয় আৰ্যভাষাসমূহৰ বিকাশৰ আনুমানিক সময় কিমান বুলি ঠাৱৰ কৰা হৈছে ?

(জ) নামনি অসমৰ যি কোনো এটা উপভাষাৰ নাম লিখা ।

(ঝ) অসমীয়া ভাষাত থকা যি কোনো এটা অৰ্ধতৎসম শব্দ লিখা ।

(ঞ) *Grammatical notes on the Assamese Language* নামৰ গ্ৰন্থখনি কোনে ৰচনা কৰিছিল ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) কেন্তুম্ আৰু সতম্ শব্দ দুটাৰ অৰ্থ কি ?

(খ) ত্ৰিপিটক শব্দই কি বুজায় ?

(গ) তৎসম আৰু তদ্ভৱ শব্দৰ অৰ্থ কি ?

(ঘ) দুটা অবৰ্গীকৃত ভাষাৰ নাম লিখা ।

(ঙ) মধ্য-ভাৰতীয় আৰ্যভাষাৰ স্তৰ কেইটা ? যি কোনো এটা স্তৰৰ নাম উল্লেখ কৰা ।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰত-হিট্টী ভাষা সম্পৰ্কে এটি টোকা লিখা ।

(খ) প্ৰাকৃত শব্দই কি বুজায় ? যি কোনো এবিধ প্ৰাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(গ) সংস্কৃতৰ স্বৰধ্বনিবোৰৰ মধ্য-ভাৰতীয় আৰ্যভাষাত কি কি পৰিৱৰ্তন হৈছে, আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে থকা দুটা মত উল্লেখ কৰা।

(ঙ) অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সৰহ হোৱাৰ দুটা কাৰণ ব্যাখ্যা কৰা।

(চ) উপভাষা কাক বোলে? অসমক কি কি উপভাষা-ক্ষেত্ৰত ভাগ কৰিব পাৰি, আলোচনা কৰা।

৪। (ক) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতত্ত্ব সম্বন্ধে এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) ইণ্ডো-ইউৰোপীয় নামটোৰ উদ্ভাৱক কোন? এই নামটো সাৰ্থক হোৱা বুলি ভাবানে? বহলাই আলোচনা কৰা। ১০

৫। (ক) অসমীয়া ভাষাত সংস্কৃতীয়া প্ৰভাৱ—এই শিতানত এটি প্ৰবন্ধ যুগুত কৰা। ১০

অথবা

(খ) অসমীয়া ভাষাৰ দেশী আৰু বিদেশী শব্দ সম্পৰ্কে আলোচনা কৰা। ১০

৬। (ক) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? যি কোনো এবিধ সাহিত্যিক প্ৰাকৃতৰ বিষয়ে লিখা। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ বিভিন্ন স্তৰসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা। ১০

৭। (ক) মান্য অসমীয়াৰ লগত কামৰূপী উপভাষাৰ এটি তুলনামূলক আলোচনা কৰা। ১০

*অথবা*

(খ) অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত দুটা আৰ্য-ভিন্ন ভাষাৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

★★★